# অসম বিধান সভা
# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
# সোমবাৰ, ৬ জুলাই, ২০২৬

**গৃহ ও ৰাজনৈতিক, লোক নিৰ্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথসমূহ), লোক নিৰ্মাণ (পথসমূহ), শক্তি, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী আৰু অন্য কোনো মন্ত্ৰীৰ ওপৰত ন্যস্ত নকৰা আন সকলো বিভাগ। ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ, হস্ততাঁত বস্ত্ৰ আৰু ৰেচম, ক্ৰীড়া আৰু যুৱ কল্যাণ, দক্ষতা, নিয়োগ আৰু উদ্যমিতা, খিলঞ্জীয়া ও জনজাতীয় বিশ্বাস ও সংস্কৃতি, পশুপালন ও পশু চিকিৎসা, মীন।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* নাৰী অপৰাধজনিত গোচৰ সন্দৰ্ভত

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

১। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১৬ ইং চনৰ পৰা বৰ্তমানলৈকে বছৰি কিমানটা নাৰী অপৰাধজনিত (Crime against women) গোচৰ পঞ্জীয়ন হৈছে? ইয়াৰে কিমানটা গোচৰ হত্যা, কিমানটা গোচৰ ধৰ্ষণ আৰু কিমানটা গোচৰ যৌতুকজনিত পৃথকে পৃথকে জিলা ভিত্তিত উল্লেখ কৰিব।

(খ) বৰ্তমান চৰকাৰখনে শপত গ্ৰহণ কৰাৰ পিছৰে পৰা প্ৰায় দুমাহমান কালত কিমানটা নাৰী অপৰাধজনিত হত্যা আৰু ধৰ্ষণৰ গোচৰ পঞ্জীয়ন হৈছে? অভিযুক্তসকলৰ নাম-ঠিকনাসহ সদনত দাখিল কৰিব।

*বিষয় ঃ* জৰাজীৰ্ণ পথ নিৰ্মাণ সম্পৰ্কে

ড° জয় প্ৰকাশ দাস ঃ

২। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

নাওবৈছা সমষ্টিৰ একমাত্ৰ ৩০ খন বিছনাযুক্ত চিকিৎসালয়লৈ যাতায়াতৰ বাবে ব্যৱহাৰ কৰা পথটো এতিয়ালৈকে বোকা আৰু পানীৰে ভৰি থকাৰ লগতে জৰাজীৰ্ণ হৈ ৰোৱাত ৰোগীসকলে নিতৌ সমস্যাৰ সন্মুখীন হৈ আহিছে। এই পথটো জৰুৰীভাৱে নিৰ্মাণৰ পৰিকল্পনা আৰু ব্যৱস্থা আছে নেকি? বিশদভাৱে জনাব।

*বিষয় ঃ* **পশু চিকিৎসালয়সমূহৰ সম্পৰ্কে**

শ্ৰীভুপেন ৰয় ঃ

৩। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত কিমানখন অনুমোদিত পশু চিকিৎসালয় আছে আৰু ইয়াৰ ভিতৰত কিমানখন কাৰ্য্যকৰী হৈ আছে? (জিলা অনুসৰি পৃথক পৃথককৈ তথ্য দাখিল কৰিব।)

(খ) যিবোৰ পশু চিকিৎসালয় পৰিত্যক্ত হৈ আছে, সেই চিকিৎসালয়সমূহ পুনৰ কাৰ্য্যক্ষম কৰাৰ আঁচনি বা লক্ষ্য আছে নেকি? যদি আছে, সেই চিকিৎসালয়সমূহ কেতিয়াকৈ কাৰ্য্যক্ষম হৈ উঠিব?

(গ) নিয়োজিত হৈ থকা পশু চিকিৎসকৰ সংখ্যা কিমান আৰু তেওঁলোকৰ ভিতৰত কোন জিলাত কিমান সংখ্যক পশু চিকিৎসক নিয়োজিত হৈ আছে?

(ঘ) যিবোৰ পশু চিকিৎসালয় পৰিত্যক্ত অৱস্থাত থকা নাই অৰ্থাৎ ভাল অৱস্থাত আছে অথচ পশু চিকিৎসক নাই, তেনে চিকিৎসালয়সমূহত চিকিৎসক নিয়োগৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা আছে নেকি?

(ঙ) পশু চিকিৎসকৰ অভাৱৰ বাবে সকলো অঞ্চলতে পশু ধনৰ চিকিৎসা ব্যৱস্থা কৰিব নোৱাৰাত ভ্ৰাম্যমাণ চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হৈছিল। প্ৰতিখন জিলাত তেনে সেৱা কিমান কাৰ্য্যকৰী হৈ আছে আৰু ভ্ৰাম্যমাণ চিকিৎসা সেৱাত ব্যৱহাৰ হোৱা কিমান গাড়ী অচল হৈ আছে?

(চ) ভ্ৰাম্যমাণ পশু চিকিৎসা সেৱা পাবলৈ ৰাইজৰ বাবে টোল ফ্ৰী নম্বৰ মুকলি কৰা হৈছে নেকি? যদি টোল ফ্ৰী নম্বৰ আছে, তেন্তে অৱগত কৰিব?

*Sub.* : **Details of the schemes taken in Cachar District.**

Shri RAJDEEP GOALA :

4. Will the Minister of Labour Welfare Department be pleased to stat:

(a) The List of Schemes/Projects that are currently under implementation in Cachar District ?

(b) How many of these Schemes/ Projects are completed by this time & how many are still incomplete with regards to the Department under Udharbond LAC during last 05 (five) years ?

*Sub.* : **Regarding Foreigners Tribunals in Barpeta District.**

Shri DIGANTA KALITA :

5. Will the Minister of Home and Political Department be pleased to state:

(a) Please furnish the total number of cases referred to the Foreigners Tribunals in Barpeta District up to 30th June, 2026.

(b) Please furnish the Tribunal-wise number of cases disposed of by the Foreigners Tribunals in Barpeta District up to 30th June, 2026.

(c) Please furnish the Tribunal-wise number of persons declared as foreigners by the Foreigners Tribunals in Barpeta District up to 30th June, 2026.

(d) Please furnish the number of declared foreigners who have been deported, detained in Transit/Detention Centres, and those who are absconding, as on 30th June, 2026.

(e) Please furnish the Tribunal-wise number of pending cases before the Foreigners Tribunals in Barpeta District as on 30th June, 2026.

(f) Please furnish the names of the Members presently serving in the Foreigners Tribunals in Barpeta District, along with their date of posting and the Tribunal to which they are attached.

*বিষয় ঃ* **বিদেশী চিনাক্তকৰণ**

**শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ**

৬। মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ আধাৰত অসমত বৰ্তমানলৈ কিমান বিদেশী চিনাক্তকৰণ কৰা হ'ল? (জিলা ভিত্তিক সংখ্যাৰে তথ্য জনাব।)

(খ) চিনাক্ত হোৱা বিদেশী জিলা ভিত্তিত কিমানক বহিষ্কাৰ কৰা হ'ল আৰু কিমানে বিদেশী ন্যায়াধিকৰণত গোচৰ চলাই আছে?

(গ) ৰাজ্যত ডিটেনচন কেম্প ক'ত ক'ত আছে আৰু এই কেম্পত কিমান চিনাক্ত বিদেশী আছে? (ডিটেনচন কেম্পত থকা বিদেশীৰ সংখ্যা জিলা ভিত্তিক তথ্য দিব।)

(ঘ) ডিটেনচন কেম্প স্থাপন হোৱা দিনৰে পৰা এতিয়ালৈ কেম্পৰ বাবদ কিমান পুঁজি মোকলাই দিয়া হৈছে?

(ঙ) ২০১১ চনৰ পৰা এতিয়ালৈ কিমান বিদেশীক বহিষ্কাৰ বা পুচবেক কৰা হ'ল? (বছৰ ভিত্তিক তথ্য দিব।)

(চ) নাগৰিকত্ব সংশোধনী আইনৰ আধাৰত নাগৰিকত্ব লাভ কৰিবলৈ কোন কেইজন ব্যক্তিয়ে আবেদন কৰিছে আৰু তেওঁলোকৰ মাজৰ পৰা আবেদন নিষ্পত্তি কৰি কোনকেইজন ব্যক্তিক নাগৰিকত্ব প্ৰদান কৰা হ'ল?

*বিষয় ঃ* **ৰাজ্যৰ বিভিন্ন অপৰাধ সম্পৰ্কে**

**মঃ বদৰুদ্দিন আজমল ঃ**

৭। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ বিভিন্ন থানাত ২০২৬ চনত সংঘটিত হোৱা অপৰাধজনিত ঘটনাসমূহ নিম্নোক্ত তালিকা অনুসৰি জনাব।

| ক্ৰঃ নংঃ | থানাৰ নাম | অপৰা-ধৰ ধৰণ | মুঠ FIR সংখ্যা | গ্ৰেপ্তা-ৰৰ সংখ্যা | চাৰ্জ শ্বীট দাখিল | চাৰ্জ শ্বীট দাখিল | বিচৰা-ধীন/ অনু-সন্ধান-ধীন |
|---|---|---|---|---|---|---|---|
| | | | | | | | |

(খ) বিগত ৫ টা বছৰত বিভিন্ন ধৰণৰ অপৰাধৰ পৰিসংখ্যা নিম্নোক্ত তালিকা অনুসৰি জনাব।

| অপৰাধৰ ধৰণ | ২০২১ | ২০২২ | ২০২৩ | ২০২৪ | ২০২৫ | ২০২৬ |
|---|---|---|---|---|---|---|
| হত্যা | | | | | | |
| বলাৎকাৰ/ যৌন উৎপীড়ন | | | | | | |
| অপহৰণ | | | | | | |
| চুৰি/ ডকাইতি | | | | | | |
| পণপ্ৰথা/ যৌতুক সম্পৰ্কীয় | | | | | | |
| ঘৰুৱা হিংসা | | | | | | |
| NDPS (মাদক দ্ৰব্য) | | | | | | |
| চাইবাৰ অপৰাধ | | | | | | |
| শিশু সম্পৰ্কীয় (POCSO) | | | | | | |
| এনকাউণ্টাৰ | | | | | | |
| অন্যান্য | | | | | | |

(গ) বিগত ৫ টা বছৰত মুঠ কিমান সংখ্যক গোচৰৰ চূড়ান্ত বিচাৰ সম্পন্ন হৈছে আৰু Conviction rate কিমান?

(ঘ) চাইবাৰ অপৰাধ প্ৰতিৰোধৰ বাবে গৃহীত পদক্ষেপ আৰু সেই বাবদ ব্যয় কৰা বাজেটৰ পৰিমাণ।

(ঙ) আৰক্ষী বাহিনীৰ আধুনিকীকৰণ (নতুন গাড়ী, অস্ত্ৰ, প্ৰশিক্ষণ) সম্পৰ্কে বিগত ৫ বছৰৰ ব্যয় তথ্য জনাব।

*বিষয় ঃ* **মৎস্য সম্পদ যোজনা, মীন মহল সম্পৰ্কত।**

শ্ৰীমেহবুব মোক্তাৰ ঃ

৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত ২০২১ চনৰ পৰা বৰ্তমানলৈ ধিং সমষ্টি এলেকাৰ হিতাধিকাৰীৰ তালিকা আৰু আৱণ্টিত ধনৰ পৰিমাণ উল্লেখ কৰি তালিকা দাখিল কৰিব।

(খ) নগাঁও জিলাৰ চৰকাৰী মীন মহলৰ সংখ্যা কিমান? তালিকা দাখিল কৰিব।

(গ) নগাঁও জিলাৰ চৰকাৰী মীন মহলৰ বন্দোবস্তিৰ জৰিয়তে চৰকাৰে যোৱা ৫ বছৰত কিমান পুঁজি আহৰণ কৰিছে? মীন মহলৰ বিপৰীতে বৰ্ষ ভিত্তিত লেছিৰ নামসহ ৰাজহৰ পৰিমাণৰ বিতং তথ্য দাখিল কৰিব।

*বিষয় ঃ* **অসমৰ নিবনুৱা আৰু দক্ষতা**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৯। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান মুঠ নিবনুৱা কিমান? নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হৈ থকা নিবনুৱাৰ সংখ্যা কিমান (জিলা ভিত্তিক)?

(খ) ২০১৬ চনৰ পৰা এতিয়ালৈকে নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হৈ থকা নিবনুৱাৰ বৰ্ষ ভিত্তিক তথ্য দাখিল কৰিব।

(গ) ২০১৬ চনৰ এতিয়ালৈকে নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে কিমান নিবনুৱাই চৰকাৰী আৰু বেচৰকাৰী চাকৰি পালে, তাৰ জিলা আৰু বৰ্ষ ভিত্তিক তথ্য দাখিল কৰিব।

(ঘ) দক্ষতা বৃদ্ধিৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে আৰু বিশ্ববিদ্যালয়ত কি কি পাঠ্যক্ৰম আছে জনাব।

(ঙ) অসমত এতিয়ালৈকে ক'ত, কিমান ITI স্থাপন কৰা হৈছে আৰু কিমান ITI বন্ধ হৈ আছে তাৰ তালিকা দাখিল কৰিব।

(চ) বিদেশত অসমৰ শিক্ষিত নিবনুৱাৰ সংস্থাপনৰ বাবে অসম চৰকাৰে কিবা পদক্ষেপ লৈছে নেকি? যদি লৈছে, তাৰ বিতং তথ্য জনাব। অসমত বিদেশী ভাষা শিক্ষণৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে বিতংকৈ জনাব।

*বিষয় ঃ* **ধুবুৰীৰ সেনপাৰাত ৰে'লৰে ক্ৰছিঙৰ উৰণীয়া সেঁতু নিৰ্মাণ।**

শ্ৰীমতী বেবী বেগম ঃ

১০। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰীৰ বিদ্যাপাৰাৰ পৰা ঝগৰাৰপাৰস্থিত মেডিকেল কলেজ আৰু বি অ' চি ম'ৰৰ পৰা কলেজ ৰোড হৈ ধৰ্মশালালৈ যোৱা পথত সেনপাৰাত থকা ৰে'লৰে ক্ৰছিঙত তীব্ৰ যানজঁটৰ সৃষ্টি হোৱা সমস্যাৰ বিষয়ে চৰকাৰ অৱগতনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

(খ) যদি হয়, উক্ত স্থানত থকা ৰে'লৰে ক্ৰছিঙত উৰণীয়া সেতু নিৰ্মাণ কৰি দুয়োটা পথৰ যাতায়াত সুচল কৰাৰ লগতে সঘনাই সংঘটিত দুৰ্ঘটনা প্ৰতিৰোধৰ ব্যৱস্থা কৰা হ'বনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

(গ) উক্ত দুয়োটা পথত হোৱা ব্যাপক যানজঁটৰ সমস্যা দুৰ কৰিবলৈ ৰে'লৱে ক্ৰছিঙৰ উৰণীয়া সেতুখন চাৰি শাখাযুক্ত কৰাৰ বিষয়ে বিবেচনা কৰা হ'বনে?

(ঘ) উৰণীয়া সেতুখন নিৰ্মাণৰ সমান্তৰালকৈ ধুবুৰীৰ বি অ' চি ম'ৰৰ পৰা ধৰ্মশালালৈ যোৱা পথৰ লগতে ধুবুৰীৰ কাছাৰীঘাটৰপৰা বিদ্যাপাৰা, বৌবাজাৰ, সেনপাৰা, ৰামকৃষ্ণ মিছন, ঝগৰাৰপাৰস্থিত মেডিকেল কলেজ হৈ ঝগৰাৰপাৰস্থিত ডি কে পথলৈ দ্বৈত শাখাযুক্ত সুচল পথলৈ উন্নীত কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

*Sub.* : **Status of Implementation of schemes under old Jania LAC etc.**

Shri SHERMAN ALI AHMED :

11. Will the Minister of PWD Department be pleased to state :

(a) What schemes under different heads of account were sanctioned w.e.f. 2021 to 2026 for old Jania LAC under PWD ? Please furnish details including date of work order, stipulated date of completion, present status, amount sanctioned, name of the contractor etc. for each scheme.

(b) In view of reply to starred QN 94 dated 12-02-2024, what action is taken on letter No. CE/TB-VII/87/2013 dated 03-02-2024 regarding forfeiture of security money ?

(c) Whether contractor Mrigen Sutradhar is blacklisted ? If not, why ?

(d) Why the boys' hostel is not completed in full as per original provisions ?

(e) Would the Government be pleased to revalidate AA No. AA/PWR-2018-19(I)-5660 dtd. 05-01-2019 for construction of an IB at Mandia ?

(f) Is it true that road furniture at Barpeta-Baghbar road is not provided despite provision of Rs. 20.55 lakh in DPR ?

(g) What is present status of utility shifting ? Please furnish parameters-wise and payment (date-wise) details.

*বিষয় ঃ* **মীন বিভাগৰ আঁচনি সমূহৰ কাৰ্য্যকৰীকৰণ আৰু কাৰ্য্যালয়ত কৰ্মচাৰীৰ অনুপস্থিতি।**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

১২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৯৩ নং সোণাৰি বিধানসভা সমষ্টিত চৰাইদেউ জিলা মীন বিভাগৰ জৰিয়তে বৰ্তমানলৈকে মৎস্য পালনৰ উন্নয়ন আৰু উৎপাদন বৃদ্ধিৰ বাবে কি কি আঁচনি গ্ৰহণ কৰা হৈছে?

(খ) উক্ত আঁচনিসমূহৰ অধীনত বিগত তিনিটা বিত্তীয় বৰ্ষত সোণাৰি সমষ্টিৰ কিমানজন মৎস্যপালক আৰু স্ব-সহায়ক গোট উপকৃত হৈছে?

(গ) উক্ত সময়ছোৱাত চৰকাৰে কিমান পৰিমানৰ আৰ্থিক সাহাৰ্য্য, মাছৰ পোনা, খাদ্য সামগ্ৰী, পুখুৰী খনন আদিৰ বাবে অনুদান প্ৰদান কৰিছে?

(ঘ) সোণাৰি সমষ্টিত মৎস্য উৎপাদন বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতা নিশ্চিত কৰাৰ উদ্দেশ্য চৰকাৰৰ ওচৰত নতুনকৈ কোনো আঁচনি বা প্ৰকল্প ৰূপায়ণত প্ৰস্তাৱ আছে নেকি?

(ঙ) চৰাইদেউ জিলা মীন বিভাগৰ কাৰ্য্যালয়ত কৰ্মচাৰীৰ সংখ্যা অতি নগণ্য, যি কেইগৰাকী আছে তেওঁলোকৰ উপস্থিতি সেৰেঙা। গতিকে কাৰ্য্যালয়টো সম্পূৰ্ণ সক্ৰিয় আৰু কাৰ্য্যক্ষম কৰিবলৈ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **পথ সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

১৩। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত PMGSY আঁচনিৰ কোনটো Phaseৰ কাম ক'ত ক'ত চলি আছে? গোৱালপাৰা পুব সমষ্টিত এই PMGSY আঁচনিৰ কিমান ৰাস্তা লোৱা হৈছে আৰু ক'ত ক'ত কাম চলি আছে? তালিকাসহ তথ্য সহকাৰে জনাব।

(খ) NH-127 (Solmari, SH-7043)ৰ পৰা গোৱালপাৰা চহৰলৈ যোৱা ৰাস্তা 4 Lane যুক্ত ৰাস্তালৈ উন্নীত কৰিব নেকি? যদি কৰে কেতিয়া কৰিব? জনাব।

(গ) গোৱালপাৰা চহৰ এলেকাত PWD (R) বিভাগৰ ৰাস্তাৰ Drain নথকাৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হয়। এই Drain সমূহ কেতিয়ালৈ কৃত্ৰিম বানৰ পৰা ৰক্ষা পৰিব? তথ্যসহকাৰে জনাব। গোৱালপাৰা পুব সমষ্টিত বানপানীৰ ফলত ভাঙি-চিঙি যোৱা পকী ৰাস্তাবোৰ কেতিয়া মেৰামতি কৰাৰ ব্যৱস্থা কৰিব? তথ্য সহকাৰে জনাব।

(ঘ) গোৱালপাৰা পুব সমষ্টিৰ ২০১৬ ৰ পৰা ২০২৫-২৬ লৈ লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ কি কি আঁচনিৰ অধীনত কি কি ৰাস্তা, Bridge ৰ কাম কৰা হৈছে আৰু কি কি ৰাস্তা, ব্ৰিজৰ কাম চলি আছে? চলি থকা এই কামসমূহ কিমান দিনৰ ভিতৰত শেষ কৰা হ'ব?

(ঙ) এই সকলো আঁচনিৰ ৰাস্তা আৰু Bridge সমূহ কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানক Work Order দিয়া হৈছিল? তালিকা সহ জনাব।

(চ) যিসকল ঠিকাদাৰ বা প্ৰতিষ্ঠান সমূহক কাম দিয়া হৈছিল, এই ঠিকাদাৰ বা প্ৰতিষ্ঠান সমূহে কাম লোৱাৰ সময়ত যিবিলাক মেচিনাৰী আৰু Man Power (যেনে— BE, JE) দেখুৱাই বিভাগৰ লগত Agreement কৰি কাম লয়, সেই সমূহ মেচিনাৰী প্ৰয়োগ আৰু Man Power (BE, JE) নিয়োগ কৰে নেকি? যদি নকৰে, তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে কিবা বিহিত ব্যৱস্থা ল'ব নেকি? যদি নলয়, কিয়? সকলোৰে তথ্যসহকাৰে জনাব।

*বিষয় ঃ* **পশু চিকিৎসাৰ উপ-স্বাস্থ্যকেন্দ্ৰ সন্দৰ্ভত**

শ্ৰীপৃথ্বিৰাজ ৰাভা ঃ

১৪। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ বিধান সভা সমষ্টিত কেইটা উপ-স্বাস্থ্যকেন্দ্ৰ আছে?

(খ) তাৰে কিমানটা উপযোগী আৰু কিমানটা অনুপযোগী অৱস্থাত আছে?

(গ) যদি আছে, বিভাগীয়ভাৱে ইয়াৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে?

*বিষয় ঃ* **গাহৰি পালন সন্দৰ্ভত**

ড° তপন দাস ঃ

১৫। মাননীয় পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে অসমৰ থলুৱা ভূমিপুত্ৰসকলে পৰম্পৰাগতভাৱে কৰি অহা গাহৰি পালন

ব্যৱসায়ৰ সুৰক্ষা, উন্নয়ন আৰু লাভজনক কৰি তোলাৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) বাহিৰৰ পৰা বৃহৎ পৰিমাণে গাহৰি অহাৰ ফলত অসমৰ থলুৱা গাহৰি পালকসকলৰ উৎপাদিত গাহৰিৰ বিক্ৰী, মূল্য আৰু উৎপাদনত বিৰূপ প্ৰভাৱ পৰিছে বুলি চৰকাৰ জ্ঞাতনে?

(গ) থলুৱা গাহৰি পালকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে বা গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে?

(ঘ) কামৰূপ (মেট্ৰ') জিলাৰ ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত বৰ্ণিহাটৰ পৰা যোৰাবাট অঞ্চলৰ গাহৰি পালকসকলে উৎপাদিত গাহৰি উচিত মূল্যত বিক্ৰী কৰিব নোৱাৰা, বজাৰ ব্যৱস্থাৰ অভাৱ, খাদ্যৰ মূল্যবৃদ্ধি, ৰোগ-ব্যাধি নিয়ন্ত্ৰণ, টীকাকৰণ আৰু আৰ্থিক সহায়ৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহ চৰকাৰৰ জ্ঞাতনে? যদি জ্ঞাত, এই সমস্যা সমাধানৰ বাবে কোনো পৰিকল্পনা কৰিছে নেকি, জনাব।

(ঙ) ৰাজ্যত থলুৱা গাহৰি পালন উদ্যোগ অধিক লাভজনক কৰাৰ উদ্দেশ্যে গাহৰিৰ ন্যূনতম সমৰ্থন মূল্য, চৰকাৰী ক্ৰয় ব্যৱস্থা অথবা সমবায়ভিত্তিক বিপণন ব্যৱস্থা আৰম্ভ কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছেনে?

*বিষয়ঃ* **রাস্তা ও অবকাঠামো উন্নয়ন সম্পর্কিত**

শ্রীজাকারিয়া আহমেদ ঃ

১৬। মাননীয় লোক নির্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথসমূহ) বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শ্রীগৌরী থেকে সুতারকান্দি পর্যন্ত National Highway সড়কের মেরামত ও সংস্কারের জন্য সরকার কী কী পদক্ষেপ গ্রহণ করেছে? কবে নাগাদ রাস্তার কাজ সম্পন্ন হওয়ার সম্ভাবনা রয়েছে?

(খ) করিমগঞ্জ সমষ্টির কান্দিগ্রাম এলাকায় ভারতমালা সড়ক নির্মাণের ফলে পার্শ্ববর্তী গ্রামসমূহ স্থানীয় শ্মশান ও কবরস্থান জলমগ্ন হওয়ার বিষয়টি সরকার কী ধরনের বিহিত ব্যবস্থা গ্রহণ করেছে বা গ্রহণের পরিকল্পনা রয়েছে?

(গ) শ্রীভূমি শহরের বিভিন্ন রাস্তাঘাটের বর্তমান ভগ্নদশা সম্পর্কে সরকার কী কী প্রকল্প গ্রহণ করেছে? সংশ্লিষ্ট প্রকল্পসমূহের নাম, অনুমোদিত ব্যয়, বাস্তবায়নকারী সংস্থা, কাজ শুরুর সম্ভাব্য সময়সীমা, অগ্রগতির বর্তমান অবস্থা এবং সমাপ্তির সম্ভাব্য সময়সীমাসহ বিস্তারিত তথ্য সদনে প্রদান করার অনুরোধ রইল।

(ঘ) উত্তর করিমগঞ্জ সমষ্টির গ্রামাঞ্চলের কিছু রাস্তা (PWD) বিভাগের কাজের আওতায় আসে না এবং পঞ্চায়েত বিভাগের স্বল্প বরাদ্দের কারণে রাস্তাগুলোর উন্নয়ন সম্ভব হচ্ছে না। এ ব্যাপারে সরকারের কোনো বিশেষ পরিকল্পনা আছে কি?

*বিষয় ঃ* **পি এম জি এছ ৱাই আঁচনি ৰূপায়ণ**

মোঃ নুৰুল ইছলাম ঃ

১৭। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা (PMGSY) আঁচনিৰ অধীনত কি কি অগ্ৰাধিকাৰৰ ভিত্তিত বাট-পথ পকীকৰণৰ আঁচনি গ্ৰহণ কৰা হয়? সবিশেষ তথ্য দাখিল কৰিব।

(খ) অসমত বৰ্তমানলৈকে কিমান জনসংখ্যা থকা গাঁওসমূহ পি এম জি এছ ৱাই আঁচনিৰ জৰিয়তে পকীকৰণৰ কাম সম্পূৰ্ণ হৈছে? বৰ্তমান সৰ্বনিম্ন কিমান সংখ্যক জনসংখ্যা থকা গাঁওসমূহো পি এম জি এছ ৱাই আঁচনিৰ অধীনত পকী পথেৰে সংযোজিত কৰাৰ কাম চলি আছে? বিস্তৃত তথ্য দাখিল কৰিব।

(গ) সৃজনগ্ৰাম বিধানসভা সমষ্টিত মুঠ কিমানখন গাঁও আছে? ইয়াৰে কিমানখন গাঁও পি এম জি এছ ৱাইৰ পকী পথেৰে চহৰৰ সৈতে সংযোজিত হৈছে? জনসংখ্যাসহ গাঁৱৰ তালিকা, দৈৰ্ঘ্য আৰু নিৰ্মাণৰ বৰ্ষ উল্লেখসহ পি এম জি এছ ৱাইৰ পকী পথৰ সম্পূৰ্ণ তালিকা দাখিল কৰিব।

(ঘ) সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ যিসমূহ গাঁও পি এম জি এছ ৱাইৰ পকী পথেৰে এতিয়াও সংযোজিত হোৱা নাই সেইসমূহ গাঁও কিমান দিনৰ ভিতৰত এই আঁচনিৰ পথেৰে সংযোজিত কৰা হ'ব? বিস্তৃত তথ্য দাখিল কৰিব।

(ঙ) ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ কৰা অথচ জৰাজীৰ্ণ হৈ পৰা পি এম জি এছ ৱাইৰ পথসমূহ কিমান দিনৰ ভিতৰত পুনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হ'ব? ইয়াৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? বিস্তৃত তথ্য দাখিল কৰিব।

*বিষয় ঃ* **দক্ষতা বিকাশ**

শ্ৰীহিমাংশু শেখৰ বৈশ্য ঃ

১৮। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ দ্বাৰা এগৰাকী ছাত্ৰ বা ছাত্ৰী নতুবা আগ্ৰহী লোকে সফল উদ্যোগী হ'বলৈ কিদৰে সক্ষম হ'ব পাৰে তথ্য সমূহ সদনত দাখিল কৰিব?

*বিষয় ঃ* **পথ নিৰ্মাণ**

ড° জয় প্ৰকাশ দাস ঃ

১৯। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙানদীৰ দুয়োপাৰে সোঁফালে পোতাবিলৰ পৰা পকনীয়ালৈ আৰু বাওঁফালে খাৰকাটি দলঙৰ পৰা পকাদ'ল নগৰগাঁও হৈ চেঙামাৰীলৈ মথাউৰিৰ ওপৰত পথ নিৰ্মাণৰ পৰিকল্পনা আছে নেকি জনাব।

(খ) এই সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খাৰকাটি দলঙৰ পৰা চেঙামাৰীলৈ বান পৰিদৰ্শনৰ সময়ছোৱাত ৰাজ্যৰ সংবাদ গোষ্ঠীৰ সন্মুখত পকী পথ নিৰ্মাণৰ আশ্বাস অঞ্চলৰ ৰাইজক প্ৰদান কৰিছিল। এই সন্দৰ্ভত এই পথছোৱাৰ কাম-কাজ কিমানদূৰ আগবাঢ়িছে, বিশদভাৱে জনাব।

*বিষয় ঃ* **ৰাস্তা আৰু কাঠৰ দলঙৰ সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

২০। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰূপহীহাট বিধান সভা সমষ্টিত লোক নিৰ্মাণ বিভাগৰ কিমান সংখ্যক ৰাস্তা আৰু কাঠৰ দলং আছে তলত উল্লেখ কৰাৰ ধৰণে তথ্য দাখিল কৰিব।

(I) নতুনকৈ নিৰ্মাণ কৰিবলগা ৰাস্তাৰ সংখ্যা নামৰ তালিকা দৈৰ্ঘ্যসহ দিব।

(II) পুনৰ নিৰ্মাণ কৰিবলগীয়া ৰাস্তাৰ নামৰ তালিকা দৈৰ্ঘ্যসহ দিব।

(III) মেৰামতি কৰিবলগীয়া ৰাস্তাৰ নামৰ তালিকা, তালিকাসমূহৰ লগত ৰাস্তাৰ দৈৰ্ঘ্যসহ দিব।

(IV) কাঠৰ দলং কিমান আছে তাৰ নামৰ তালিকা দাখিল কৰিব।

(খ) জৰাজীৰ্ণ হৈ থকা ৰাস্তা আৰু দলংসমূহ নিৰ্মাণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? বিতংভাৱে সদনত জনাব।

*Sub.* : **Sub-Divisional Court**

Shri THANESWAR BASUMATARY :

21. Will the Minister of Home & Political Department be pleased to state:

Whether the Sub-Divisional Court of Salbari Sub-Division under Baksa District is established or not?

If it is not established then when will it be established?

*বিষয় ঃ* **শ্ৰমিকসকলৰ দৈনিক মজুৰি সম্পৰ্কে**

শ্ৰীভূপেন ৰয় ঃ

২২। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান পঞ্জীয়নভুক্ত শ্ৰমিক আছে? (জিলা ভিত্তিক তথ্য দিব)।

(খ) শ্ৰমিক সকলৰ বাবে দৈনিক মজুৰি কিমান টকাকৈ নিৰ্ধাৰণ কৰা হৈছে?

(গ) শ্ৰমিক সকলক নিজ ৰাজ্যত নিয়োজিত হ'ব পৰাকৈ কিবা ব্যৱস্থা বা আঁচনি আছে নেকি? যদি আছে আঁচনি অনুসৰি কিমান শ্ৰমিকক সামৰি ল'ব পাৰি সবিশেষ জনাব।

(ঘ) অসমৰ পৰা বহু শ্ৰমিকে কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ গমন কৰে। ক'ভিড-১৯ৰ সময়ত বহিঃৰাজ্যলৈ গমন কৰা শ্ৰমিকৰ সংখ্যা উলিয়াবলৈ নাম পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছিল। অসমৰ কোন জিলাৰ পৰা কিমান শ্ৰমিকে বহিঃৰাজ্যৰ ক'ত কাম কৰি আছে?

(ঙ) বহিঃৰাজ্যত কৰ্মৰত কিমান শ্ৰমিক আততায়ীৰ আক্ৰমণত মৃত্যু হৈছে? কিমানৰ মৃতদেহ গৃহ ৰাজ্যলৈ চৰকাৰী খৰছত অনা হ'ল?

*বিষয় ঃ* **পথ আৰু পকী দলং সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৩। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাকা বেতবাৰী সমষ্টিত মুঠ কিমান পথ আছে আৰু কিমান কিলোমিটাৰ পথ পকীকৰণ কৰা আছে? কিমান কিলোমিটাৰ পথ কেঁচা আছে? তালিকা দিব।

(খ) কোন কোন পথ এতিয়ালৈকে পকীকৰণ কৰা হোৱা নাই দূৰত্বসহ পথৰ তালিকা দিব।

(গ) পাকা বেতবাৰী সমষ্টিত মুঠ কিমানখন পকী দলং আছে আৰু কোন কোন দলং পকীকৰণ কৰিবলৈ বাকী আছে? তালিকা দিব।

(ঘ) উক্ত সমষ্টিত পকীকৰণ কৰিবলগীয়া দলং চৰকাৰে কেতিয়া পকীকৰণ কৰিব আৰু কোন কোন ঠাইত কাঠৰ দলং আছে? এই কাঠৰ দলংসমূহ কেতিয়া পকীকৰণ কৰিব?

*Sub.* : **Schemes taken by the Concerned Department in last five years.**

Shri RAJDEEP GOALA :

24. Will the Minister of Handloom, Textiles and Sericulture Department be pleased to state:

(a) What are the schemes taken by the Department in last five years under Udharbond LAC ?

(b) What are the present status of the schemes ?

*বিষয় ঃ* **পুৰণি হোৱা বিদ্যুতৰ লাইনবোৰ মেৰামতি সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ বহুতো গ্ৰামোঞ্চলৰ বিদ্যুতৰ লাইন (Poll, Cable) ইত্যাদিবোৰ পুৰণি হোৱাত অলপ বতাহ নহওঁতেই চিণ্ডি যায়। ফলত ৰাইজে যমৰ যন্ত্ৰণা ভুগিবলগীয়া হয়, সেইবোৰ মেৰামতি কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে? যদি লৈছে, কেতিয়া ৰূপায়ণ কৰিব তথ্য সহকাৰে জনাব।

(খ) জলেশ্বৰ সমষ্টিৰ চৰ অঞ্চলবোৰত বিদ্যুতৰ ব্যৱস্থা নথকাৰ বাবে বহুতো সমস্যাৰ

(খ) বিষয়াসকলে বিদেশলৈ প্ৰযুক্তি আহৰণৰ বাবে যোৱাৰ বাবদ দুটা বৰ্ষত হোৱা চৰকাৰী ব্যয়ৰ পৰিমান দাখিল কৰিব।

(গ) বিদেশলৈ যোৱা বিষয়াসকলে বিদেশৰ পৰা আহৰণ কৰা প্ৰযুক্তিৰ সবিশেষ আৰু উক্ত প্ৰযুক্তি ক'ত ক'ত ব্যৱহাৰ কৰিছে সবিশেষ তথ্য দাখিল কৰিব।

*বিষয় ঃ* **বিধান সভা সমষ্টিভিত্তিক পথ পক্কীকৰণৰ তথ্য সম্পৰ্কে।**

শ্ৰীঅখিল গগৈ ঃ

৩০। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১-২২ ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ অসমৰ ১২৬ টা বিধান সভা সমষ্টিত পথ নিৰ্মাণ, দলং নিৰ্মাণ আৰু অ'ভাৰব্ৰীজ নিৰ্মাণৰ বাবে SOPD, মুখ্যমন্ত্ৰী পকীপথ আঁচনি, CIDF, পথ বহলীকৰণ আঁচনি, মথাউৰিৰ ওপৰ পকীকৰণ আঁচনি, PMGSY, WB আদিৰ অধীনত আবণ্টিত আৰু প্ৰকৃততে মুক্ত কৰা পুঁজিৰ সমষ্টিভিত্তিক তথ্য দিব? শাসকীয় আৰু বিৰোধী বিধায়কৰ সমষ্টিৰ মাজত থকা এই বৈষম্যৰ শতকৰা হাৰ কিমান?

(খ) উক্ত ৫ বছৰত প্ৰতিটো সমষ্টিত 'জৰুৰীকালীন মেৰামতি' আৰু 'বান-ক্ষতি'ৰ নামত মুঠ কিমান কোটি টকাৰ অনুমোদন দিয়া হ'ল? ইয়াৰ বিপৰীতে প্ৰতিটো সমষ্টিত প্ৰকৃততে কিমান কিলোমিটাৰ পথ মেৰামতি হ'ল?

(গ) ২০২৬ চনৰ জুন মাহলৈকে ১২৬ টা সমষ্টিত লোক নিৰ্মাণ বিভাগৰ অধীনস্থ মুঠ কিমান কিলোমিটাৰ পথ এতিয়াও সম্পূৰ্ণ কেঁচা হৈ আছে আৰু বিভাগৰ ঠিকাদাৰসকলৰ পথ নিৰ্মাণৰ বাবদ বৰ্তমানলৈ মুঠ কিমান কোটি টকাৰ বিল চৰকাৰৰ হাতত পৰিশোধ নোহোৱাকৈ আছে?

(ঘ) যোৱা পাঁচ বছৰত সৰ্বোচ্চ টকাৰ কাম পোৱা প্ৰথম পাঁচজন ঠিকাদাৰক দিয়া কামৰ তালিকা দিব।

*Sub.* : **Unspent Untied fund and MLALAD fund.**

Shri VIJAY KR. GUPTA :

31. Will the Minister of Transformation and Development Department be pleased to state:

(a) Whether there is any Unspent Untied Fund and Unspent MLALAD Fund during the year w.e.f 2001 to 2016 of erstwhile 54, No. West Ghy. LAC (Presently 36 No. Central Ghy. LAC) are available ?

(b) If so, how much fund is available ?

(c) Please provide the name of such schemes taken up during the last 10 years from 2001 to 2010 in the erstwhile 54, Ghy. West LAC, urban areas only (Now 36 No. Central Ghy. LAC).

(d) Whether there is any latest guide lines book for the utilization of MLALAD and Untied Fund ? if so, provide the same.

*বিষয় ঃ* **ক্ৰীড়া উন্নয়ন সম্পৰ্কে**

মোঃ আশ্ৰাফুল ইছলাম শ্বেখ ঃ

৩২। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ৫ নং পৰ্বতঝোৰাৰ ক্ৰীড়া উন্নয়নৰ বাবে বিভাগীয় মন্ত্ৰীয়ে কিমান উন্নয়নমূলক আঁচনি যোগান ধৰিছে তথ্যসহকাৰে জনাব আৰু যদি কোনোধৰণৰ আঁচনি যোগান ধৰা হোৱা নাই, কিয় ধৰা হোৱা নাই? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **ডিগবৈ সম-জিলা আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, ৰাজহ চক্ৰ বিষয়া আদিৰ কাৰ্য্যালয়সমূহ নিৰ্মাণ সম্পৰ্কে।**

**শ্ৰীসুৰেণ ফুকন ঃ**

৩৩। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ডিগবৈত অনুমোদিত সম-জিলা আয়ুক্তৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ লগতে সংহত অন্যান্য প্ৰস্তাৱিত কাৰ্য্যালয় সমূহ নিৰ্মাণৰ বাবে চৰকাৰী ভাবে প্ৰদান কৰা ১নং বৰবিলৰ সমীপৰ ভূমিৰ বিভাগীয় জৰীপ কৰাৰ লগতে অনুমোদন জনোৱা হৈছে। এই কাৰ্য্যালয় সমূহ নিৰ্মাণৰ বাবে বিভাগে কেতিয়াৰ পৰা কাৰ্যব্যৱস্থা হাতত ল'ব অনুগ্ৰহ কৰি জনাব।

*বিষয় ঃ* **ববপেটা-দৌলাশাল সংযোগী পথ উন্নয়ন আৰু সমষ্টিৰ বিভিন্ন পথ তথা যোগাযোগ ব্যৱস্থা উন্নীতকৰণ সন্দৰ্ভত।**

**শ্ৰীদীপক কুমাৰ দাস ঃ**

৩৪। মাননীয় লোক নিৰ্মাণ (পথসমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা সমষ্টিৰ গুৰুত্বপূৰ্ণ পথসমূহৰ লগতে বৰপেটা-দৌলাশাল সংযোগী পথ উন্নয়নৰ বাবে চৰকাৰে বিশেষ কোনো বাজেটীয় আঁচনি গ্ৰহণ কৰিছে নেকি? জনাব।

(খ) বৰপেটা সমষ্টিৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ বৰপেটা-হাউলী সংযোগী পথটো বহলীকৰণ কৰি উন্নীতকৰণৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰা হ'ব নেকি? জনাব।

*বিষয় ঃ* **অসম হোম গাৰ্ড সম্পৰ্কে (Assam Home Guard)।**

**শ্ৰীমজিবুৰ ৰহমান ঃ**

৩৫। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম আৰক্ষীৰ অধীনত যোৱা ইং ৩১-০৫-২০২৬ তাৰিখলৈকে কিমানজনে অসম হোম গাৰ্ড (Assam Home Guard) পদত নিয়োজিত হৈ আছে? (তালিকা সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) অসম হোম গাৰ্ড পদত নিয়োজিত হৈ থকা অসম আৰক্ষী গাৰ্ডসকলক স্থায়ীভাৱে ৰেগুলাৰ (Permanent Regular) পদত নিযুক্তি দিবৰ বাবে অসম চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? সদনৰ মজিয়াত দাখিল কৰিব।

(গ) অসম আৰক্ষীৰ অধীনত নিয়োজিত হৈ থকা অসম হোম গাৰ্ডসকলক বছৰৰ ছয় মাহ চাকৰিত মকৰল কৰা হয় আৰু সেই ছয় মাহৰ হে দৰমহা/মাননী প্ৰদান কৰা হয়। বাকী ছয় মাহৰ মাননী তেওঁলোকক কিয় দিয়া নহয়? দৰমহা নোহোৱাকৈ গাৰ্ডসকলৰ পৰিয়ালৰ ভৰণ-পোষণ আৰু ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ দায়িত্ব চৰকাৰে লয়নে? অসম হোম গাৰ্ডসকলৰ বছৰৰ বাৰ মাহৰ মাননী দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰিব নেকি? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*Sub.* : **Govt. Initiatives to Combat Economic Migration.**

Shri AMINUR RASHID CHOUDHURY

36. Will the Minister of Skill, Employment and Entrepreneurship Department be pleased to state:

(a) Is there any operational multi skill training centres or ITIs currently serving for the youth of South Karimganj constituency ?

(b) If yes, how many operational multiskill training centres are there in South Karimganj ? If not, any plan Govt. has taken up to set up such instituation ?

(c) Whether the Govt. has a plan to introduce advanced, industry-relevant skill training institutes in South Karimganj LAC to improve local youth employment and check economic migration ?

(d) What type of financial assistance, grants or subsidies do the Govt. proposes to provide the youth seeking to engage in entrepreneurship and establish businesses to reduce migration to other states ?

*বিষয় ঃ* **কাটিগড়া সমষ্টিতে একটি Battalion Camp গড়ে তোলার সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৩৭। মাননীয় গৃহ ও রাজনৈতিক বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসামে মোট কতগুলো Battalion Camp আছে, তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(খ) যেহেতু কাটিগড়া সমষ্টিতে Internatioal এবং Inter State Border এর সাথে সংযুক্ত তাই এই এলাকায় Illegal নানা ধরনের Problem হতে দেখা যায়। তাই কাটিগড়া সমষ্টিতে একটি Battalion Camp গড়ে তোলার জন্য সরকার আগামীতে কী কোনো ধরণের পদক্ষেপ গ্রহণ করবে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(গ) কাটিগড়া সমষ্টির Gumra, Katigorah এবং Bihara Out Post কে উন্নীতকরণ করা, এবং প্রশাসনিক কার্যক্ষমতা বৃদ্ধি করার জন্য সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তাহলে কবে নাগাদ করা হবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(ঘ) যেহেতু বদরপুর শহর Delimitation এর পর কাটিগড়া সমষ্টিতে অন্তর্ভুক্ত হয়েছে এবং বর্তমান বদরপুর থানা শ্রীভূমি জেলার সাথে রয়েছে তাই বদরপুর শহরে একটি Town Out Post গড়ে তোলার সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তাহলে কবে নাগাদ হবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

*বিষয় ঃ* **পকী দলং নিৰ্মাণ সন্দৰ্ভত**

শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ

৩৮। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ARRBP আঁচনিৰ অধীনত বিশ্ব বেংকৰ পুঁজিৰে অসমৰ গ্ৰাম্য অঞ্চলত নিৰ্মাণ হৈ থকা পকী দলঙৰ সমষ্টি ভিত্তিত তালিকা, দলঙৰ দৈৰ্ঘ্য, মঞ্জুৰীকৃত ধনৰ পৰিমাণ আৰু বৰ্তমানৰ ভৌতিক আৰু আৰ্থিক অগ্ৰগতি সহ সদনৰ মজিয়াত দাখিল কৰিব।

(খ) ARRBP আঁচনিৰ অধীনত নিৰ্মাণ কৰিব লগীয়া পকী দলংসমূহৰ বাছনি কৰাৰ বাবে গাইড লাইন কি? বিতং তথ্য সদনত দাখিল কৰিব।

*Sub.* : **Fire Station**

M. BADRUDDIN AJMAL :

39. Will the Minister of Home & Political Department be pleased to state:

(a) Will the Govt. furnish the details of fire stations in all districts of Assam district-wise ?

(b) The number of new fire stations set up in different districts of Assam during the last 5 years ? Kindly provide district wise list.

(c) Whether the Govt. is aware that there is only one fire station in Binnakandi LAC ? If so, will the Government take necessary steps to set up one more new Fire Stations at Murajhar under Binnakandi LAC, If yes, by when can we expect it to take place ?

*বিষয় ঃ* **আৰক্ষী থানা ও চকী সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৪০। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেইখন থানা আৰু Outpost আছে? সমষ্টি ভিত্তিত তালিকাসহ জনাব।

(খ) নতুনকৈ গঠন হোৱা ১৪ নং গোৱালপাৰা পূৱ সমষ্টিত কেইখন থানা আৰু Outpost আছে?

(গ) ১৪ নং গোৱালপাৰা সমষ্টিত নতুনকৈ থানা আৰু Outpost স্থাপন কৰাৰ পৰিকল্পনা আছে নেকি? যদি আছে, ক'ত ক'ত স্থাপন কৰা হ'ব আৰু কেতিয়া? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **অসমত ৰুজুহোৱা গোচৰ, বাল্য-বিবাহ, অসম আৰক্ষীত নতুন নিযুক্তি ইত্যাদি।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪১। মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০১৬ চনৰ পৰা এতিয়ালৈকে অসমত ৰুজু হোৱা বিভিন্ন গোচৰৰ বৰ্ষভিত্তিক তথ্য দাখিল কৰিব।

(খ) বাল্য বিবাহ ৰোধ কৰাৰ বাবে কি পদক্ষেপ লোৱা হৈছে? অসমত বাল্য বিবাহৰ হাৰ কমিছে নে বাঢ়িছে? ২০১৬ চনৰ পৰা এতিয়ালৈকে বাল্য বিবাহৰ ঘটনাৰ বৰ্ষভিত্তিক তথ্য জনাব।

(গ) অসমত ২০১৬ চনৰ পৰা এতিয়ালৈকে কিমান বিদেশীক (কোন কোন দেশৰ পৰা আহিছিল) গ্ৰেপ্তাৰ কৰা হৈছে, কিমানক খেদি পঠিওৱা হৈছে তাৰ বৰ্ষ ভিত্তিক তথ্য দাখিল কৰিব লগতে ঘোষিত কিন্তু পলাতক হৈ থকা বিদেশীৰ তথ্যও দাখিল কৰিব।

(ঘ) ২০১৬ চনৰ পৰা ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানত অসমত কিমান, কেনেধৰণৰ ড্ৰাগছ জব্দ কৰা হৈছে তাৰ বৰ্ষভিত্তিক তালিকা দিব। অসমত জব্দ হোৱা ড্ৰাগছ ক'ৰ পৰা আহে তাৰ তথ্য আছে যদি জনাব।

(ঙ) উক্ত চনৰ পৰা বৰ্তমানলৈ অসমৰ থানা সমূহত ৰুজু হোৱা বিভিন্ন গোচৰৰ বিপৰীতে কিমান চাৰ্জশ্বীট দাখিল কৰা হৈছে, বিতং পৰিসংখ্যা দাখিল কৰিব।

(চ) অসম আৰক্ষীৰ আধুনিকীকৰণৰ বাবে ২০১৬ পৰা এতিয়ালৈকে ব্যয় কৰা ধনৰ পৰিমাণ কিমান? বৰ্ষভিত্তিক তালিকা দিব।

(ছ) অসম আৰক্ষীৰ ২০১৬ চনৰ পৰা কিমান পদত নতুন নিযুক্তি দিয়া হৈছে? বৰ্তমান খালী হৈ থকা বিভিন্ন পদৰ তালিকা দাখিল কৰিব।

*Sub.* : **Utilization of LAD fund under Baghbar LAC etc.**

Shri SHERMAN ALI AHMED :

42. Will the Minister of Transformation and Development Department be pleased to state :

(a) What schemes were recommended by the then MLA of Baghbar and Jania LAC under LAD of 2024-25 and 2025-26 ? Please furnish scheme-wise dates of recommendation, administrative approval, release of first & second installment.

(b) Is it true that DC should accord administrative approval within 30 days (Para 2.8 of guidelines) ?

(c) Is it also true that in case district authority considers that a recommended work can't be executed for some reasons, then MLA concerned should be informed within 30 days from receipt of such proposal (Para 3.8 of guidelines) ?

(d) Despite above provisions in guidelines, why schemes of 2024-25 and 2025-26 were not sanctioned within prescribed time ?

(e) What is the unspent amount of LAD w.e.f 2011-12 to 2025-26 under old Baghbar and Jania LAC ? Please furnish details.

(f) What is the unspent accrued interest of LAD of old Baghbar and Jania LAC ? Please furnish details.

*বিষয় ঃ* নাৰীৰ সুৰক্ষা

শ্ৰীমতী বেবী বেগম ঃ

৪৩। মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)২০১৬ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৬ চনৰ ৩১ মে'লৈ অসমত নাৰীৰ বিৰুদ্ধে কিমানটা অপৰাধমূলক ঘটনা সংঘটিত হৈছে? (উত্তৰৰ সৈতে জিলা আৰু বৰ্ষভিত্তিত বিস্তৃত তালিকা সংলগ্ন কৰিব।)

(খ) উক্ত সময়ছোৱাত কিমানগৰাকী নাৰী হত্যা, আক্ৰমণ, বলাৎকাৰ, শালীনতা ভংগ, ব্লেক মেইলিং আদি অপৰাধমূলক ঘটনাৰ বলি হৈছে? (উত্তৰৰ সৈতে আৰু জিলাভিত্তিক বৰ্ষভিত্তিত বিস্তৃত তালিকা সংলগ্ন কৰিব।)

(গ) উক্ত অপৰাধমূলক কাৰ্য্যকলাপৰ ঘটনা সংক্ৰান্তত কোনখন থানাত কিমানটা গোচৰ পঞ্জীয়ন হৈছে? উক্ত গোচৰসমূহৰ সংক্ৰান্তত কিমানজন লোকক আটক কৰা হৈছে? (উত্তৰৰ সৈতে জিলা আৰু বৰ্ষভিত্তিত বিস্তৃত তালিকা সংলগ্ন কৰিব)

(ঘ) উক্ত অপৰাধমূলক গোচৰ সংক্ৰান্তত আৰক্ষীয়ে কিমানটা অভিযোগনামা দাখিল কৰিছে? ইয়াৰে কিমানজন লোক ন্যায়িক প্ৰক্ৰিয়াৰ মাজেৰে দোষী সাব্যস্ত হৈছে? (উত্তৰৰ সৈতে অপৰাধী সাব্যস্ত হোৱা লোকৰ বৰ্ষভিত্তিত সম্পূৰ্ণ তালিকা সংলগ্ন কৰিব।)

(ঙ) নাৰীজনিত অপৰাধ সম্পূৰ্ণ নিৰাময়ৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰাহৈছে? (উত্তৰৰ সৈতে বিস্তৃত তথ্য সংলগ্ন কৰিব।)

*বিষয় ঃ* পশু চিকিৎসালয়ৰ সংখ্যা

মোঃ নুৰুল ইছলাম ঃ

৪৪। মাননীয় পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত থকা পশুধনৰ জৰীপ কাৰ্য্য চলোৱাৰ ব্যৱস্থা আছে নে? যদি আছে, অসমত গৰু, ছাগলী, ম'হ, ভেড়া, হাতী, ঘোঁৰা,ডুম্বা, গাহৰি, কুকুৰসহ সৰ্বমুঠ কিমান পশুধন আছে? জিলাভিত্তিক বিস্তৃত তথ্য দাখিল কৰিব।

(খ) ৰাজ্যখনত থকা পশুধনৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণৰ পশু চিকিৎসালয় আৰু পশু চিকিৎসা কেন্দ্ৰ আছেনে? ৰাজ্যখনত সৰ্বমুঠ কিমানখন পশু চিকিৎসালয় আৰু পশু চিকিৎসা কেন্দ্ৰ, পশু চিকিৎসা উপ-কেন্দ্ৰৰ মুঠ সংখ্যা কিমান? ইয়াত মুঠ চিকিৎসক আৰু অচিকিৎসক পদৰ বিপৰীতে কৰ্মৰত কৰ্মীৰ সংখ্যা কিমান? জিলাভিত্তিক বিস্তৃত তথ্য দাখিল কৰিব।

(গ) সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত কিমানখন পশু চিকিৎসালয়, পশু চিকিৎসা উপ-কেন্দ্ৰ আছে? ইয়াত কৰ্মৰত চিকিৎসক আৰু অচিকিৎসক কৰ্মীৰ সংখ্যা কিমান? বিস্তৃত তথ্য দাখিল কৰিব।

(ঘ) সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত মুঠ পশুধনৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণৰ চিকিৎসক আৰু অচিকিৎসক কৰ্মী, আন্তঃগাঁথনিসহ পশু চিকিৎসালয়, পশু চিকিৎসা উপ-কেন্দ্ৰ আছে নে? যদি নাই, এই অভাৱ দূৰ কৰিবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? বিস্তৃত তথ্য দাখিল কৰিব।

*বিষয় ঃ* নাওবৈছা সমষ্টিৰ পথ নিৰ্মাণ

ড° জয় প্ৰকাশ দাস ঃ

৪৫। মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

নাওবৈছা সমষ্টিৰ ন' আলি বালি গাঁৱৰ পৰা দফলা কটালৈ আৰু বালিটিকাৰ পৰা বৰচলা হৈ পানধোৱালৈ, এই দুই পথছোৱা অতিকৈ জৰাজীৰ্ণ অৱস্থাত পৰি ৰৈছে। এই দুই পথছোৱা নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা আৰু ব্যৱস্থা আছে নেকি?

*বিষয় ঃ* গ্ৰাম্য ষ্টেডিয়াম সম্পৰ্কে

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৬। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন গ্ৰাম্য ষ্টেডিয়াম আছে তাৰ তালিকা দিব।

(খ) পাকা বেতবাৰী সমষ্টিৰ বৰবালাত গ্ৰাম্য ষ্টেডিয়াম নিৰ্মাণ প্ৰকল্প আঁচনিখন কেতিয়া আৰম্ভ হ'ব সেই বিষয়ে জনাব।

(গ) অসমত প্ৰতিটো সমষ্টিত গ্ৰাম্য খেলপথাৰ নিৰ্মাণ কৰাৰ কিবা নতুন পৰিকল্পনা আছে নেকি? যদি আছে, পাকা বেতবাৰী সমষ্টিত গ্ৰাম্য খেলপথাৰ উন্নয়নৰ বাবে কি কি পৰিকল্পনালোৱা হৈছে জনাব।

(ঘ) অসমৰ প্ৰতিটো গাঁৱত চৰকাৰে ক্ৰীড়া উন্নয়নৰ খেলপথাৰ নিৰ্মাণ কৰিব বুলি ঘোষণা কৰিছিল? ইয়াৰে কিমানখন গাঁৱত খেলপথাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে তাৰ তালিকা দিব। যিসমূহ গাঁৱত এই প্ৰকল্প সম্পূৰ্ণ হোৱা নাই সেইসমূহ গাঁৱত কেতিয়া এই প্ৰকল্প নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব জনাব।

*Sub.* : **Details of work in last 5 years in Udharbond LAC.**

Shri RAJDEEP GOALA :

47. Will the Minister of Public Works (Roads) Department be pleased to state :

(a) Please furnish the details of all schemes, projects and development works undertaken by the Department in Udharbond constituency during the last five years.

(b) Please furnish the details of which schemes have been completed and which remain incomplete, along with their present status, expenditure incurred, reasons for non-completion, (where applicable), and expected date of completion.

(c) Please furnish the detailed list of all completed and incomplete schemes, projects and development works in Udharbond constituency.

*বিষয় ঃ* **মীন বিভাগৰ তদন্ত সন্দৰ্ভত**

ডাঃ আছিফ মোঃ নাজাৰ ঃ

৪৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন বিভাগৰ কোনো কেলেংকাৰীৰ তদন্ত চলি আছে নেকি? সবিশেষ তথ্য প্ৰদান কৰিব। এই কেলেংকাৰীৰ তদন্তত কাক অভিযুক্ত কৰা হৈছে?

(খ) বিগত ১০ বছৰত মীন নিগমত বক্ৰ পথেৰে কোনো নিযুক্তি হোৱাৰ অভিযোগ আছে নেকি? যদি আছে, বক্ৰ পথেৰে নিযুক্তি হোৱা সকলক তদন্তৰ আওঁতালৈ অনা হৈছে নেকি?

*বিষয় ঃ* **সাংবাদিক পেঞ্চন, সাংবাদিকৰ স্বাস্থ্য বীমা, আৰ্থিকভাৱে দুৰ্বল মফচলীয় সাংবাদিকৰ বাবে আৱাসগৃহ প্ৰদানৰ পৰিকল্পনা সম্পৰ্কত।**

শ্ৰীমেহবুব মোক্তাৰ ঃ

৪৯। মাননীয় তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা বৰ্তমানলৈ অসমত কিমান গৰাকী সাংবাদিকক " সাংবাদিক পেঞ্চন" আগবঢ়োৱা হ'ল? চৰকাৰৰ দ্বাৰা অনুমোদিত সাংবাদিক পেঞ্চনাৰ সকলে পেঞ্চনৰ ধনৰাশি নিয়মিত ভাৱে লাভ কৰি আহিছেনে? যদি লাভ কৰা নাই, তেন্তে কেতিয়াৰ পৰা লাভকৰা নাই আৰু কেতিয়াৰ পৰা লাভ কৰিব? পেঞ্চনাৰসকলৰ নামৰ তালিকা প্ৰদান কৰিব।

(খ) সাংবাদিকৰ পেঞ্চন ৮ হাজাৰৰ পৰা ১২ হাজাৰলৈ বৃদ্ধি কৰাৰ ঘোষণা কৰা হৈছিল। সেয়া কাৰ্য্যকৰী হৈছেনে? যদি হোৱা নাই, কেতিয়াৰ পৰা হ'ব?

(গ) "মিডিয়া ফেল শ্বিপ" আৰু "সাংবাদিকলৈ এককালীন সাহাৰ্য্য" আঁচনিখন কাৰ্য্যকৰী হৈ আছেনে? যদি নাই, বন্ধ হৈ থকা তাৰিখ আৰু পুনৰ প্ৰৱৰ্তনৰ পৰিকল্পনাৰ বিষয়ে জনাব। আঁচনি দুখনে ইতিমধ্যে সামৰি লোৱা সাংবাদিক সকলৰ নামৰ তালিকা প্ৰদান কৰিব।

(ঘ) স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ স্বাস্থ্য বীমা, ভ্ৰমণ আদিৰ ক্ষেত্ৰত চৰকাৰৰ কিবা পৰিকল্পনা আছেনে? মফচলীয় তথা আৰ্থিকভাৱে দুৰ্বল সাংবাদিক সকলক আৱাসগৃহ প্ৰদান কৰাৰ দৰে পদক্ষেপ লোৱাৰ প্ৰয়োজন অনুভৱ কৰি চৰকাৰে তেনে কিবা আঁচনি গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **ডিগবৈ সমষ্টিত থকা চোমনি সংৰক্ষণ তথা পুনৰ্জীৱিত কৰাৰ সম্পৰ্কে।**

শ্ৰীসুৰেণ ফুকন ঃ

৫০। মাননীয় হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ টিংৰাইত অৱস্থিত চোমনিখনত থকা ৩৫ বিঘা, গোচৰণীয়া মুগা ফাৰ্মখনৰ ২৫০ বিঘা, এৰি সঁচ উৎপাদন কেন্দ্ৰ ১০০ বিঘা মুঠ ৩৮৫ বিঘাৰ এই চোমনিখন বৰ্তমান বিলুপ্তিৰ দিশত, সম্ভাৱনাময় এই চোমনি খনক সংৰক্ষণ তথা ইয়াত উৎপাদনৰ বাবে বিভাগক বহুবাৰ অনুৰোধ জনোৱা হৈছে যদিও কাৰ্যতঃ হৈ উঠা নাই, এই ক্ষেত্ৰত বিভাগে কিবা পৰিকল্পনা হাতত লৈছে নেকি জনাব।

(খ) এই চোমনি খন কাৰ্য্যক্ষম হৈ উঠিলে চৰকাৰী ভাৱে বহু নিবনুৱা যুৱক-যুৱতীৰ উপৰিও খিলঞ্জীয়া মহিলা সকলৰ উপাৰ্জনৰ নতুন পথ মুকলি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। মাননীয় মন্ত্ৰী মহোদয়ে এই চোমনিখনৰ বৰ্তমানৰ স্থিতি আৰু বিভাগীয় পৰিকল্পনাৰ সন্দৰ্ভত চৰকাৰীভাৱে উপলব্ধ তথ্যৰ বিষয়ে বিতংকৈ জনাবনে?

---

Assam Government Press 136/26-LAQ-600-29-06-2026